Printed Pages—4

**3 (Sem–2) ASM M 2**

**2 0 1 5**

ASSAMESE

( Major )

Paper : 2.2

**( Adhunik Asamiya Kabita )**

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। কেৱল উত্তৰটো লিখা : ১×১০=১০

(ক) সাহিত্য অকাডেমী বঁটাপ্ৰাপ্ত প্ৰথম অসমীয়া কাব্যপুথিখনৰ নাম কি?

(খ) 'পলস' শব্দটোৰ অৰ্থ কি?

(গ) "কবিতা ছন্দোবদ্ধ ৰচনা" (Poetry is metrical composition) বুলি কবিতাৰ সংজ্ঞা কোনে আগবঢ়াইছে?

(ঘ) সাহিত্য অকাডেমীয়ে প্ৰকাশ কৰা 'সঞ্চয়ন' নামৰ অসমীয়া কবিতাৰ সংকলনটি পোনপ্ৰথমে কোন চনত প্ৰকাশ পাইছিল?

(ঙ) 'ভাঙনী কোঁৱৰ' বুলি কোনগৰাকী কবিক আখ্যা দিয়া হয়?

(চ) ৰঘুনাথ চৌধাৰীৰ 'কেতেকী' কবিতাটি কেইটা তৰঙ্গত বিভক্ত?

(ছ) 'বনকুঁৱৰী' নামৰ কবিতাটিৰ ৰচক কোন?

(জ) "অম্বিকাগিৰি ৰায়চৌধুৰীয়ে সকলো প্ৰভাৱৰ আঁতৰত বৈ গাইছে অনলগীত—ক্ষিপ্ত-বিক্ষিপ্ত, বিপ্লৱী, জীৱনৰসে ভৰা গীত, প্ৰেমৰ গীত, জেলৰ গীত, দেশৰ গীত, বিদ্বেষৰ গীত!" এই মন্তব্যটো কাৰ?

(ঝ) 'টংক' আৰু 'হাইকু' কোন দেশৰ কবিতা?

(ঞ) 'নতুন কবিতা' নামৰ যুদ্ধোত্তৰ যুগৰ অসমীয়া কবিতাৰ সংকলনটি কোনে সম্পাদনা কৰিছিল?

২। চমু উত্তৰ দিয়া : ২×৫=১০

(ক) মালিতা বা Balladৰ দুটা বৈশিষ্ট্য উল্লেখ কৰা।

(খ) প্ৰথম অসমীয়া চনেট পুথিখনৰ নাম কি আৰু এইখন কোন চনত প্ৰকাশ পাইছিল?

(গ) 'Poems in Prose' আৰু 'ৰুবায়ৎ'ৰ স্ৰষ্টা দুগৰাকীৰ নাম লিখা।

(ঘ) ভাৰতীয় দৰ্শন আৰু ৰবীন্দ্ৰনাথ ঠাকুৰৰ প্ৰভাৱ থকা দুগৰাকী অসমীয়া কবিৰ নাম উল্লেখ কৰা।

(ঙ) "সিহঁতে পঢ়িব আমাৰ জীৱাশ্মত জাতিস্মৰৰ হাঁহি উঠা সাধু।" কবিতাৰ এই শাৰীটোত উল্লেখ থকা 'জীৱাশ্ম' আৰু 'জাতিস্মৰ' শব্দ দুটাৰ অৰ্থ লিখা।



৩। যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ দিয়া : ৫×৪=২০

(ক) অমিত্ৰাক্ষৰ আৰু মুক্তক ছন্দৰ মাজত উদাহৰণসহ পাৰ্থক্য নিৰ্ণয় কৰা।

(খ) 'কথা-কবিতা' ৰচনাৰ বাবে যতীন্দ্ৰনাথ দুৱৰাই ক'ৰ পৰা অনুপ্ৰেৰণা লাভ কৰিছিল, চমুকৈ আলোচনা কৰা।

(গ) আধুনিক অসমীয়া কবিতালৈ অমূল্য বৰুৱাৰ অৱদানৰ বিষয়ে এটি চমু আলোচনা প্ৰস্তুত কৰা।

(ঘ) চিত্ৰকল্পৰ স্বৰূপ নিৰ্ণয় কৰি অসমীয়া কবিতাত ইয়াৰ কেনেদৰে প্ৰয়োগ হৈছে তাৰ এটি উদাহৰণ দিয়া।

(ঙ) "চেনেহেৰে বুকুত সাৰটি
কোনে যেন কাণে কাণে কয়,
নাৰৱীয়া পালা বহু দুখ
আহা আহা মোৰ কাষলৈ'ই।"

কোনে, কাক, কাৰ কাষলৈ মাতিছে, বিৱৰি লিখা।

(চ) "দুয়ো দুকো একেথৰে চাই
চক্ৰবেগে দোলনা দোলাম,
মহানীল আলোড়ন কৰি"

কথাষাৰিৰ তাৎপৰ্য ব্যাখ্যা কৰা।

৪। যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ কৰিবা : ১০×৪=৪০

(ক) দেৱকান্ত বৰুৱাৰ কবিতাত ৰোমাণ্টিক আৰু সাম্প্ৰতিক কালৰ কবিতাৰ কি কি বৈশিষ্ট্যৰ ৰূপায়ণ দেখা যায়, বিচাৰ কৰা।

(খ) 'জয়ন্তী' আৰু 'পচোৱা' আলোচনীয়ে অসমীয়া কবিতালৈ কি নতুন ধাৰা প্ৰৱাহিত কৰি আনিছিল সেই বিষয়ে এটি আলোচনা প্ৰস্তুত কৰা।

(গ) নৰকান্ত বৰুৱাৰ 'পলস' আৰু নীলমণি ফুকনৰ 'মুঠি মুঠিকে কাটি তোৰ ঢেঁকীয়াৰ আঙুলি' কবিতা দুটিত বাস্তৱতাৰ কেনেদৰে প্ৰতিফলন ঘটিছে, বিশ্লেষণ কৰা।

(ঘ) নিৰ্মলপ্ৰভা বৰদলৈৰ 'দ্ৰৌপদী' কবিতাটিত নাৰী মনৰ জটিলতা আৰু সৌন্দৰ্যস্পৃহা কেনেদৰে প্ৰকাশ পাইছে, বিচাৰ কৰা।

(ঙ) "জগতৰ উন্মুক্ত বায়ু লগাকৈ সকলো দুৱাৰ-খিৰিকী মুকলি ৰখা সাম্প্ৰতিক কবিৰ ধৰ্ম।" এই উক্তিৰ যথাৰ্থতা বিচাৰ কৰা।

(চ) অম্বিকাগিৰি ৰায়চৌধুৰীৰ কবিতাৰ মূল বৈশিষ্ট্যসমূহ উল্লেখ কৰি সেই বৈশিষ্ট্যসমূহ তেওঁৰ কবিতাত কেনেদৰে প্ৰকাশ পাইছে, উদাহৰণসহ আলোচনা কৰা।

☆ ☆ ☆